# শেষ অনুৰোধ

একোৱেই আৰু ভাল নালাগে, কোনো বস্তুৰপৰাই আৰু কোনো উদ্দীপনা নাহে। আবেলি যথাৰীতি কাৰেলৰ লগত পাৰ্কত এবাৰ ঘূৰি আহিছোঁ (আজি বতৰ ভাল আছিল), তাৰপাছত চাবি টিপাটিপি কৰি কিছুসময় টেলি-কাগজখন চাইছোঁ, (কিতাপ-পত্ৰ পঢ়িবৰ আৰু একেবাৰে মন নাযায়), কিন্তু পৃথিৱীৰ কোনো ঘটনাতেই আৰু দেখোন কোনো ঔৎসুক্য নোপজে— তাৰপাছত কাৰেলৰ নিৰ্দেশমতে সহায়ক ৰবট (প্ৰায় কুৰি শতিকাৰ শেষভাগৰ হাউছ-ৰবটৰদৰে, কিন্তু আজি অৱশ্যে বহু উন্নততৰ) ফ্ৰাইডেই খোৱা-টেবুল সজাই দিছে, নিৰ্লিপ্তভাৱে, আগ্ৰহশূন্যভাৱে খোৱা শেষ কৰিছোঁ, তাৰপাছত ফ্ৰাইডেই মোৰ পাৰ্শ্বটেবুলত (ডাক্তৰ অনুমোদিত) চিগাৰেট আৰু হুইস্কী-চ'ডা থৈছে, তাৰপাছত বোলছবি নিক্ষেপণৰ সৰু প'ৰ্টেব্‌ল্ চুইচব'ৰ্ড টুকুৰা মোৰ হাতত দি গৈছে। মোৰ প্ৰিয় বোলছবি এখন মোৰ মেজৰ পিছপিনৰ বগা বেৰ টুকুৰাত নিক্ষেপ কৰিছোঁ (পৰ্দা বা ভিডিঅ' মনিটৰ মই পছন্দ নকৰোঁ)—বহু পুৰণি ছবি, যোৱা শতিকাৰ মাজভাগৰ আমেৰিকান মিউজিকেল—কিন্তু তাতো যেন কোনো আগ্ৰহ নাই, কোনো আনন্দ বা উদ্বেগৰ অনুভূতি অহা নাই, প্ৰায় নিৰ্লিপ্তভাৱে চাই গৈছোঁ—ৰৈ-ৰৈ হুইস্কী-চ'ডাখিনি শেষ কৰিছোঁ (অৱশ্যে কৃত্ৰিম হুইস্কী, জাপানৰ চান্টৰী হুইস্কিৰ এটা উন্নত ৰূপ, সম্পূৰ্ণ সংশ্লেষিত, কিন্তু স্বাদ যেন বিশুদ্ধ স্কচ্, নাম 'এলিগ্‌জিৰ-২') আৰু চিগাৰেটত টান দিছোঁ (সিও সংশ্লেষিত, নিক'টিন আছে, কিন্তু প্ৰতি-নিক'টিন পদাৰ্থ 'ফৰ্মুলেশ্যন ০১০' মিহলি, স্বাদো ঠিক আচল চিগাৰেটৰদৰে, কিন্তু নিক'টিনৰ কুপ্ৰভাৱ নাই)—কিন্তু কোনো তৃপ্তি পোৱা নাই, ছবিখন বন্ধ কৰি দিছোঁ। নিৰবচ্ছিন্ন এই নিৰানন্দ, পুৱাৰপৰা ৰাতিলৈ দিনৰ পাছত দিন এই নিৰ্লিপ্ততাৰ একেঘেঁয়েমি, দায়িত্বমুক্ত নিৰাসক্ত জীৱন, মনৰ নিষ্ক্ৰিয়তাৰ এই অসহনীয় ক্লান্তি—এনেকৈ আৰু নোৱাৰি, এই সকলোৰে অন্ত পেলাব লাগিব, এনেকৈ চলি থকাৰ আৰু অৰ্থ কি—

ভাবিলোঁ কাৰেলক মাত দিওঁ, এই গুমোট কটাবলৈ কিবা এটা ৰগৰকে কৰোঁ। সকলো অন্ত পৰক, কিন্তু হাঁহি-হাঁহি সেই অন্ত আহক, হওক সেইটো জোৰকৈ তোলা হাঁহি—কিন্তু মুখেৰে কাৰেলক মাতিবলৈ ইচ্ছা নগ'ল, হাতঘড়ীৰ পিছপিনৰ সৰু উখহাটো টিপিলোঁ (তেনেকুৱা সংযোগ মোৰ মেজ, মোৰ বিছনা আৰু মোৰ চছ্‌মাতো আছে, যেতিয়া যিটো সুবিধা ব্যৱহাৰ কৰোঁ)—কাৰেল নিঃশব্দে (যেন চুঁচৰি আহি) ডেৰ মিটাৰ দূৰত থিয় দিলে (সাধাৰণ কথা-বাৰ্তাৰ বাবে নিৰ্দিষ্ট ব্যৱধানত)। ক্লিক্‌কৈ এটা শব্দ হ'ল, তাৰপাছত এটা নিম্ন কম্পাংকৰ মোটা কণ্ঠস্বৰ, কৃত্ৰিম বুলি বুজা যায়, আৰু অলপ নাকী।

"দাদা?"

"শুনা কাৰেল, এইবোৰৰ অন্ত পেলাব লাগে।" তাৰপাছত কিদৰে কথাটো ক'ম বুজি নাপালোঁ, ভাবিলোঁ প্ৰথমতে কাৰেলক অল জোকাই চাওঁ (বৃথা অৱশ্যে, কাৰণ কাৰেলৰতো ভাবাৱেগ বুলি কোনো বস্তু নাই, যদি আছে মইতো কেতিয়াও দেখা নাই)। "এইবোৰ—যেনে, এইমাত্ৰ তুমি মোক মাতিলা দাদা বুলি, সেইটো ঠিক হৈছেনে?"

কাৰেল কেই মুহূৰ্তমান মনে-মনে থাকিল (কেইমুহূৰ্ত মানে কেইটিমান মাইক্ৰ'ছেকেণ্ড, এক ছেকেণ্ডৰ নিযুতাংশ, তেনেকুৱা ক্ষুদ্ৰ এককেই কাৰেলে বুজে, কাৰণ ছেকেণ্ডত কেইবাকোটিও গণনা সি ক্ষিপ্ৰবেগে সম্পন্ন কৰি পেলায়)। সি কি ভাবিছে কেতিয়াও মই একো বুজিব নোৱাৰোঁ, কাৰণ তাৰ চকু-মুখ বুলি কোনো বস্তু নাই, আছে ওপৰৰ পিনে দুটা সৰু-সৰু ছিদ্ৰ (বোধহয় পৰকলা লগোৱা, তলপিনেও কিন্তু তেনেকুৱা দুটা, যি ঠাই মানুহৰ চকুৰ ঠাই নহয়), আৰু ছিদ্ৰ দুটাৰ তলত তাহানিৰ ৰেডিঅ'ৰ লাউডস্পীকাৰৰদৰে এটুকুৰা আয়তাকাৰ পৰ্দা বা মেম্ব্ৰেইন, য'ৰপৰা শব্দ ওলায়—অন্যথাই কাৰেল এটা 'অৱয়ব'হীন দীঘল চেপেটা বাকচ, প্ৰায় ৫ ফুট ওখ, কুৰি শতিকাৰ ৰুক্ষ ৰবটবোৰৰদৰে এন্টেনা, চেন্সৰ আদিৰে কণ্টকাকীৰ্ণ নহয়। বাকচটো, অৰ্থাৎ কাৰেলৰ 'দেহ'টো ধাতু বা প্লাষ্টিক নহয়, এবিধ কিবা জৈৱিক ছাল, মানুহৰ দেহত্বকৰদৰে মুগা বৰণীয়া। ভৰি বুলিও একো নাই, কোনো সৰু চকা বা শ্লাইড্ আদিও সন্নিৱিষ্ট নাই, মজিয়াত 'ভৰি' নিদিয়াকৈ, বোধহয় মজিয়াত বায়ু প্ৰতিফলিত কৰাই বায়ুৰ কুশ্যনৰ ওপৰত ভাহি-ভাহি চলে—এইবোৰ মই ঠিক নুবুজোঁ। নেব্ৰাস্কাৰ ৰবট্ৰনিক্স কৰ্প'ৰেশ্যনে কাৰেলৰ লগত দিয়া মেন্যুৱেলখনত সকলো বৰ্ণনা আৰু ব্যাখ্যা দিয়া আছে অৱশ্যে (ছবিসহ), কিন্তু সেইবোৰ কাৰিকৰী জটিলতা লৈ মূৰ ঘমাই কি লাভ, মোক যি লাগে কাৰেলে কৰি দিছে, মোৰ বাবে সেয়ে যথেষ্ট।

ক্লিক্‌কৈ এটা শব্দ হ'ল, বোধহয় কাৰেলে তাৰ স্মৃতিকোষত মোৰ প্ৰশ্নটোৰ উত্তৰটো বিচাৰি উলিয়ালে।

“মোৰ ‘জ্ঞাতব্য-নথি’ৰ বি-০০১-০১-বি অনুসাৰে, মোৰ নিৰ্দেশ হৈছে আপোনাক ‘দাদা’ বুলি সম্বোধন কৰিবলৈ। আপুনি দাদা, খুৰা, ছাৰ, ডাঙৰীয়া, মঁচিঅ, ইয়েছ? আৰু ইয়েছ ছাৰ? এইকেইটা বিকল্প দিছিল, তাৰপাছত আপুনি ‘দাদা’ শব্দটো বাছনি কৰিছে। গতিকে বি-০০১-০১-বি অনুসাৰে, এইটো ঠিক হৈছে।”

“তোমাৰ দেখোন ৰসজ্ঞান নাহিল”, এটা হুমুনিয়াহ এৰি ক’লোঁ, “তোমাৰ বি-০০১-০১-বিত কি আছে,ময়ো জানো, মই সেইটোৰ কথা কৈছোঁ জানো? নাই, মই কৈছোঁ, মোৰ ৬০ বছৰ বয়স পাৰ হোৱাৰ পাছত তোমাৰ জন্ম হৈছে—যদিও অৱশ্যে তোমাৰ জন্মৰ ৩ বছৰ আগেয়েই তোমাক গঢ় দিয়া হৈছে—কিন্তু সেইবোৰ সময়-জোখ ধৰিলে তুমি জানো মোৰ ভাই?”

নিস্তব্ধতা। কথাটো সঁচা। ৰবট্ৰনিক্সৰ ছুইডেনৰ লেবৰেটৰীত মানৱদেহৰ নিউৰন্ আৰু ইলেক্ট্ৰনিক চাৰ্কিটবোৰৰ সংযোজন ঘটোৱাৰ পাছত কাৰেলৰ কোষবোৰৰ জিন-বিন্যাস এটা ধাঁচত বহিবলৈ সময় লাগিছে প্ৰায় ৩ বছৰ, নিউৰন্ আৰু ইলেক্ট্ৰনিক বৰ্তনীবোৰ এটা সহজীৱন স্তৰলৈ আহিবলৈ (‘চিম্বায়চিচ্’ হ’বলৈ) যথেষ্ট সময় লাগেই। আৰু তাৰ লগতে ছুইডেনতে তাক প্ৰাথমিক শিক্ষা দিছে ওচাকাৰ প্ৰফেছৰ য়ামাশ্বিটাই, তাৰপাছত আকৌ সুদীৰ্ঘ পাঠদান আৰু প্ৰশিক্ষণ নেব্ৰাস্কাত তেওঁলোকৰ ‘কনছালটেন্ট’ কৰ্নে’ল বিশ্ববিদ্যালয়ৰ ড° হান্স লে’ভীছন আৰু ড° মালিনী শেষাদ্ৰীৰ তীক্ষ্ণ তত্ত্বাবধানত।

ক্লিক্।

“দাদা মোৰ জ্ঞাতব্য নথিৰ এল্-চি-০১০-০০ অনুসাৰে, মানৱ-প্ৰজন্মৰ বয়ঃমাপ হিচাপত মই আপোনাৰ নাতি।”

“ঠিক। অৰ্থাৎ মই তোমাৰ—যাক কয়—ককা। কিন্তু আমি ককা-নাতিও নহওঁ, দাদা-ভায়ো নহওঁ। মই এজন গৃহস্থ, নাগৰিক, কৰ-দাতা; তুমি মোৰ শ্ৰোতা, সংগী, বন্ধু-ফ্ৰেইণ্ড, ফিলছফাৰ, গাইড। তুমি তাহানিৰ কুৰি শতিকাৰ সাধাৰণ হাউছ্-ৰবট নোহোৱা, সেইবোৰ গতানুগতিক কাম, ৰুটিন কাম, তোমাৰ অনুচৰ—তোমাৰ অগ্‌জিলিয়াৰ ৰবট—ফ্ৰাইডে’ই তোমাৰ দিহামতে কৰি দিয়ে, সেইবোৰ তোমাৰ কাৰ্যক্ৰমণিকা নহয়—তুমি সংগী, শুভাকাংক্ষী, সংবেদী সুহৃদ। তুমি মোৰ মনৰ কথা বুজি পোৱা, মোৰ মুখৰ অভিব্যক্তি আৰু মস্তিষ্ক-তৰংগ তুমি বিশ্লেষণ কৰিব পাৰা, তুমি বুজি পোৱা মোৰ খং উঠিছে নে হাঁহি উঠিছে, মোৰ দুখ লাগিছে নে আনন্দ হৈছে, মই ক্লান্ত নে ক্ষুধাৰ্ত। অথচ মই তোমাৰ সম্বোধন বাছনি কৰিছোঁ ‘দাদা’। তুমি ভাবিছানে কেতিয়াবা, কিয়?”

নীৰৱতা...ক্লিক্।

“আপোনাৰ ব্যক্তিগত জীৱন, ৰুচি আৰু প্ৰৱণতা সম্পৰ্কে মোক যি-যি জানিবলৈ দিয়া হৈছে, সেই নথিৰ পি-টি-১১০১-চি-ত তাৰ এটা সম্ভাব্য কাৰণ পাওঁ, কিন্তু সেইটো স্পৰ্শকাতৰ বস্তুৰ তালিকাত পৰে, আপোনাৰ অনুমতি অবিহনে সেইটো প্ৰসংগ উত্থাপন কৰাৰ মোৰ প্ৰয়োজন নাই, এয়ে মোৰ নিৰ্দেশ।”

“মোৰ পিনৰপৰা কোনো বাধানিষেধ নাই।”

“মোৰ আৰু এটা নিৰ্দেশ এয়ে যে আপোনাৰ মনত আঘাত দিব পৰা কোনো শব্দ, বাক্য বা ধ্বনি যেন মই কেতিয়াও উৎপাদন নকৰোঁ।”

“আঃ কাৰেল, পুৰণি কথা শুনি ভাগি পৰাৰ বয়স আৰু মোৰ নাই। কোৱা।”

“২০.. চনৰ ১১ আগষ্ট ১৪১৫ বজাত আপোনাৰ একমাত্ৰ সৰুভাই ..ৰ মৃত্যু হৈছিল ..ত, যিজন ভায়ে ‘দাদা’, ‘দাদা’ বুলি আপোনাৰ পিছে-পিছে ঘূৰি ফুৰিছিল। মৃত্যুৰ ঘটনাক্ৰম মোৰ নথিত বিশদভাৱে দিয়া আছে। সেই মৃত্যু দুৰ্ঘটনা নে আত্মহত্যা সেই প্ৰশ্ন আজিও অমীমাংসিত আছে, কিন্তু আপুনি নিজকে সেই মৃত্যুৰ বাবে নৈতিকভাৱে দায়ী বুলি বিবেচনা কৰিছিল আৰু ঘটনাৰ প্ৰায় দুবছৰ পাছলৈ মানসিক অশান্তিত ভুগিছিল আৰু এইটো এটা অপূৰণীয় অভাৱ বুলি—”

“হাঃ-হাঃ-হাঃ”, জোৰকৈ নাহাঁহি নোৱাৰিলোঁ, “বাৰু, বাৰু, হ’ব। এইবোৰ কিমানদিন আগৰ কথা কৈছা জানানে—ত্ৰিছ বছৰ, চল্লিছ বছৰ—উঃ, মনোবিজ্ঞানীবোৰে সেই সোতৰ-ওঠৰ শতিকাৰপৰা আজিলৈকে দেখিছোঁ সেই একেটা খাঁজতে বজি থাকিল। এইটো তেওঁলোকৰ কেতিয়াও মনত নেখেলায় যে মই এনেয়ে কেইটামান—এট্ ৰেণ্ডম্— সম্বোধন উল্লেখ কৰিলোঁ আৰু ধাঁ কৰি তাৰে কিবা এটা বাছি ল’লোঁ—নাই, সকলো কথাৰে কিবা এটা ‘গভীৰ’ কাৰণ বাহিৰ কৰিব নোৱাৰিলে তেওঁলোকৰ শান্তি নাই—সৰুতে মেকুৰী এজনীয়ে তোমাৰ পাতৰপৰা মাছ এটুকুৰা লৈ পলাইছিল, সেয়ে আজি তুমি নাৰীবিদ্বেষী, হাঃ-হাঃ-হাঃ—বাৰু যাক, কোৱাচোন, তোমাৰ নাম যে মই’ ‘কাৰেল’ পছন্দ কৰিলোঁ ইমানবোৰ নাম থাকোঁতে, তাৰ কাৰণটো তুমি জানানে?”

“হয়। আপুনি কুৰি শতিকাৰ তেতিয়াৰ চে’কশ্লভাকিয়া নামৰ দেশৰ লেখক কাৰেল্ চাপেকৰ গুণমুগ্ধ পাঠক আছিল, আৰু তেওঁৰেই মোৰদৰে কৃত্ৰিম প্ৰাণীৰ বাবে প্ৰথমে ‘ৰবট’ শব্দটো ব্যৱহাৰ কৰিছিল আৰু—”

“অ...তোমাৰ ভাল মনত আছে। অৱশ্যে, তোমাৰতো কোনো কথাই পাহৰি যোৱাৰ উপায় নাই, হাঃ-হাঃ-হাঃ, আমাৰদৰে মানুহেহে কেতিয়াবা ঘপকৈ কিবা মনত পেলাব নোৱৰা হওঁ, কিন্তু তোমাৰ জিন্‌বোৰতো এনেকৈ সজাই দিয়া হৈছে যে বিচৰা বস্তু ক’ত থ’লোঁ বুলি গণ্ডগোল হোৱাৰ কোনো সম্ভাৱনাই নাই—বাৰু, কাৰেল্, দিয়াচোন, চাপেকৰ বিষয়ে তোমাৰ ভাণ্ডাৰত কি আছিল তাকে আৰু এবাৰ চাই লওঁ—উঃ, সেইবোৰ কিতাপ যে কিমানদিন দেখাই নাই—”

"মনিটৰত দিম নে বেৰত?"

"বেৰতেই দিয়া, ইয়াৰপৰাই চাওঁ"।

ক্লিক্-ক্লিক্। মেজৰ পিছ পিনৰ বগা বেৰটুকুৰাত আখৰ নিক্ষিপ্ত হ'ল, ডাঙৰ-ডাঙৰ হৰফ, চকুত টান নপৰে ঃ

"চাপেক্, কাৰেল্ ঃ চে'ক্ নাট্যকাৰ আৰু ঔপন্যাসিক, জন্ম ঃ বহেমিয়া, জানুৱাৰী ৯, ১৮৯০, মৃত্যু ঃ প্ৰাগ্, ডিচেম্বৰ ২৫, ১৯৩৮। শিক্ষা ঃ চাৰ্লছ (পাছলৈ প্ৰাগ্) বিশ্ববিদ্যালয়, বাৰ্লিন, ছৰব'ন। (সেই সময়ৰ) 'আধুনিক' জীৱনৰ যান্ত্ৰিকতাক ব্যংগ কৰি লিখা তেওঁৰ নাটক 'আৰ্ ইউ আৰ্'('ৰছামৃছ ইউনিভাৰ্ছেল ৰবটছ', ১৯২০)-এ পৃথিৱীৰ শব্দ-ভাণ্ডাৰত 'ৰবট' শব্দটো সন্নিৱিষ্ট কৰে। তেওঁৰ অন্যান্য ৰচনাসমূহৰ ভিতৰত..."

"অ...ঠিক...ধন্যবাদ কাৰেল্।", ক্লিক্, আখৰ বিলীন। "তোমাক এদিন বোধহয় চাপেকৰ 'মিটিঅৰ্' উপন্যাসখন পঢ়ি চাবলৈ কৈছিলোঁ, নহয়নে?"

"হয় দাদা, আৰু মই কেন্দ্ৰীয় ভঁৰালৰপৰা—চেন্ট্ৰেলৰপৰা—তাৰ পাঠ মোৰ উপনিমিত্ত কোষলৈ কন্টিন্জেন্সি বেংকলৈ—অনায়ো থৈছোঁ। কিন্তু—দুঃখিত, দাদা—এতিয়াও পঢ়া নাই।"

"কোনো কথা নাই। পঢ়ি চাবা, যেতিয়া তোমাৰ মন যায়, মোক ক'বা তোমাৰ সঁহাৰি কি—অৱশ্যে মোক আৰু বোধহয় কোৱাৰ অবকাশ নোলাব—"

"দাদা?"

"থাক বাৰু সেইটো কথা। কি কৈছিলোঁ—অ, কাৰেল্ চাপেকৰ কথা—অ, তেনেহ'লে এতিয়া তুমি নিশ্চয় বুজিছা কিয় মই তোমাক কাৰেল্ বুলি মাতিছোঁ। এইটো এটা মৰমৰ মাত, প্ৰীতিৰ সম্ভাষণ, অন্তৰংগতাৰ আহ্বান। ঘৰৰ পোহনীয়া প্ৰাণীটোক বা কাম কৰা ল'ৰাটোক মানুহে মান-সন্মান কৰা, তাৰিফ কৰা মানুহৰ নামেৰে নামাতে। অৰ্থাৎ তোমাক মই জ্ঞান কৰি আহিছোঁ আজ্ঞাবহ যন্ত্ৰ হিচাপে নহয়, এজন সহায়ক হিচাপে, বন্ধু হিচাপে।"

সেইটো সঁচা। কাৰেলে মোৰ চকুৰ কুঞ্চন, কপালৰ গাঁঠি, ওঁঠৰ চেপ চাই যায়, মোৰ নাড়ী, মোৰ স্পন্দন, মোৰ ৰক্তস্ৰোতৰ আড্ৰিনালিন-ঘনত্ব নজৰ কৰি থাকে, মস্তিষ্ক-তৰংগ বিশ্লেষণ কৰিব পাৰে, মই মনে-মনে থাকিলেও মোৰ কথা বুজে—আমি অৱশ্যে খুব বেছি কথা নাপাতোঁ—মই সদায়েই স্বল্পভাষী—কিন্তু যি দুই-চাৰি আষাৰ পাতো সেয়া দাৰ্শনিক গুণা-গঁথা, জীৱন আৰু অস্তিত্ব লৈ বিক্ষিপ্ত চিন্তা-ভাবনা। অন্যান্য ঘৰুৱা কাম, গতানুগতিক কাম কাৰেলৰ নিৰ্দেশত ফ্ৰাইডে'ই কৰি দিয়ে (এইটোও মই দি লোৱা নাম, ওঠৰ শতিকাৰ ইংৰাজ লেখক ডেনিয়েল ডিফ'ৰ 'ৰবিন্সন ক্ৰুছ'ৰ বিশ্বস্ত সহায়ক ফ্ৰাইডে')—ঘৰ পৰিষ্কাৰ ৰখা, ঘৰৰ উষ্ণতা, আলোক, আপেক্ষিক আৰ্দ্ৰতা নিয়ন্ত্ৰিত ৰখা, মোৰ কিতাপ-কাগজ চিজিল কৰি ৰখা, মোৰ আয়-ব্যয় আৰু আয়কৰৰ আঁত ৰখা, মোৰ ইচ্ছাসাপেক্ষে মোৰ খোৱা-বোৱা, গা-ধোৱাৰ ব্যৱস্থা কৰি দিয়া, মোৰ বিছনা কৰি দিয়া—খোৱা-বোৱাত অৱশ্যে তেনেকৈ মোৰ আগৰ ৰুচি বা আগ্ৰহ নাই, মোৰ প্ৰথমা স্ত্ৰীৰ মৃত্যুৰ পাছত মোৰ হৃদক্ৰিয়াৰ অনিয়ম হ'ব ধৰে, মোৰ দ্বিতীয়া স্ত্ৰীৰ মৃত্যুৰ পাছত মই বুকুত এটা পেইচ-মে'কাৰ বহুৱাই ল'ব লগা হৈছোঁ, কিডনী আৰু কলিজাও ঠিকমতে কাম নকৰে (ভাগ্যে এতিয়াও ডায়ালিছিছৰ আশ্ৰয় ল'ব লগা হোৱা নাই), মোৰ খোৱা-বোৱা, চলা-ফিৰাত এতিয়া নানা ৰকমৰ বাধানিষেধ, বহুতো সৰু-ডাঙৰ সুখ-আনন্দৰপৰা আঁতৰি থাকিব লাগে, বহুতো জুতি বাদ দিব লাগে, কাৰেলে অহৰহ নজৰ ৰাখে মোৰ পেইচ-মে'কাৰ ঠিক চলি আছে নে নাই, ফ্ৰাইডে'ই মোক তাৰ কম্পিউটাৰীকৃত 'কিচ্ছে'নে'ট'—উন্নত প্ৰস্তুত কৰি পৰিৱেশন কৰা আহাৰ মোৰ উপযোগী হয় নে নহয়—ৰাতি চাৰি ঘণ্টাৰ বাবে যেতিয়া কাৰেল 'শোৱে' (নিউৰনবোৰক জিৰণি দিয়ে) তেতিয়াও এটা অগ্জিলিয়াৰি লে'জাৰ-স্কেনাৰ্ সক্ৰিয় হৈ থাকে, আকস্মিক কিবা দৰকাৰ পৰিলে কাৰেল্ক জগাই দিয়ে—অ, যদিও কাৰেল (আৰু তাৰ লগত ফ্ৰাইডে') ফৰ্মাচ দি, আজীৱন সঞ্চয়ৰ ধন ব্যয় কৰি কৰাই লোৱা বস্তু, সি নিছক এটা ক্ৰয়সামগ্ৰী নহয়, কাৰেল্ মোৰ বন্ধু।

"ধন্যবাদ, দাদা—মই সন্মানিত।"

"আৰু আন বহুপিনে তুমি মোৰ সাৰথি, পথনিৰ্দেশক--"

সেইটো সঁচা। আবেলি বতৰ ভাল থাকিলে যেতিয়া ওচৰৰ পাৰ্কখনলৈ যাওঁ, কাৰেল্ মোৰ লগে-লগে যায় (তাত মোৰদৰে লগত সংগী ৰবট লৈ ফুৰিবলৈ যোৱা মানুহ আৰু দুই-চাৰিজন পাওঁ, বয়সীয়া, হয়তো আধা অক্ষম বা আধা পংগু, কিন্তু লগত পোহনীয়া কুকুৰ লৈ ফুৰিবলৈ যোৱা বৃদ্ধা কেইবাগৰাকীও পাওঁ, তেওঁলোকে বহু অসুবিধা সত্ত্বেও কিয় জানো সংগী ৰবটতকৈ জীয়া প্ৰাণী বেছি পছন্দ কৰে)। কাৰেলে বিদ্যুৎচুম্বক ক্ষেত্ৰৰ কিবা এখন অদৃশ্য আবৰণেৰে মোক ঘেৰি দিয়ে, প্ৰখৰ পোহৰ বা অত্যুচ্চ গোলমাল মোৰ ইন্দ্ৰিয়লৈ পৰিমিত হৈ আহে, ওচৰে-কাষৰে কোনো দুৰ্ঘটনা (হয়তো কোনো আকস্মিক বিস্ফোৰণ) ঘটিলেও সেইবোৰে মোক স্পৰ্শ নকৰে, জেং-জোং, গাঁত, সংঘৰ্ষ আদিৰপৰা মই সুৰক্ষিত থাকোঁ, কাৰেলে মোক ঠিক-ঠিক নিৰ্ভুলভাৱে চলাই নিয়ে—

"মোৰ কৰ্তব্যৰ ভিতৰত পৰাখিনি মই কৰি গৈছোঁ, আপুনি যদি অসন্তুষ্ট হোৱা নাই সেয়ে মোৰ কৃতিত্ব।"

"বাৰু তেনেহ'লে, প্ৰথমতে যিটো কথাৰ অৱতাৰণা কৰিলোঁ, তালৈ আহোঁ—এইবোৰ অন্ত পেলাব লাগে। মই বহু ভাবি-ভাবি এই সিদ্ধান্তত আহি পৰিছোঁ—এইবোৰ অন্ত পেলাব লাগে।"

“দাদা?”

“এনেকৈ আৰু চলি থাকিব নোখোজোঁ। ইয়াৰ শেষ হ’ব লাগে।”

“আপুনি যদি এই জীৱনধাৰা বেয়া পাইছে, তেনেহ’লে আৰু দুটা বিকল্প প্ৰাত্যহিকী মোৰ নিৰ্দেশনামাৰ ভিতৰত আছে, আপুনিও সেইবোৰৰ ফ্ল’-চাৰ্ট কেইবাবাৰো অধ্যয়ন কৰি চাইছে—”

“তুমি বুজা নাই। সাত বজাৰ চাহকাপ চাৰে ছয়টালৈ নিয়া, তেনেবোৰ উপৰুৱা অদল-বদলৰ কথা মই কোৱা নাই। সেইবোৰে মোৰ মূল সিদ্ধান্তটো নলৰায়। মোৰ সিদ্ধান্ত এয়ে যে মোৰ জীৱন চলি আছে—তোমাক ধন্যবাদ—কিন্তু মোৰ আৰু কোনো জীৱনী-চালিকা নাই, কোনো কথাতে কোনো আগ্ৰহ বা ঔৎসুক্য নাই, গতিকে এই জীৱন চলাই নিয়াৰ কোনো অৰ্থ নাই। তুমি মোৰ লগৰীয়া, কিন্তু তোমাৰ জীৱন আৰু মোৰ জীৱন একে নহয়,—তোমাৰ ৰাসায়নিক-বৈদ্যুতিক শক্তিৰ বিন্যাসেৰে তোমাৰ জীৱন চলি গৈছে, চলি থাকিব—কিন্তু মানুহৰ জীৱন অকল ৰাসায়নিক-বৈদ্যুতিক শক্তিৰ ৰূপান্তৰণ নহয়, তাৰ বাহিৰেও আছে অজ্ঞাত, সূক্ষ্ম এটা কিবা, যিটোৰ সৰবৰাহ বন্ধ হ’লে আৰু জীৱন বুলি একো নাথাকে, মাথোঁ দেহযন্ত্ৰ এটাৰ চয়-অপচয়-মেটাবলিজ্‌ম্ চলি থাকে। তোমাৰ কথাটো সৰল—যেতিয়ালৈকে তোমাৰ স্নায়ুবোৰেৰে, তাঁৰবোৰেৰে বিজুলি সোঁত চলি আছে তেতিয়ালৈ তুমি তোমাৰ জীৱনীশক্তি পাই আছা, তোমাৰ কাম তুমি কৰি গৈছা—”

ক্ৰি-ক্। নীৰৱতা। ক্ৰি-ক্।

“দাদা, মই বুজিছোঁ আপুনি কি ক’ব খুজিছে। আপুনি মোক আগেয়েও বহুবাৰ (কাৰেলে কেইটামান তাৰিখ উল্লেখ কৰিলে) বুজাইছে যে অকল হাইড্ৰ’জেন আৰু অক্সিজেনৰ সমষ্টিয়েই পানী নহয়, পানী আন এটা বস্তু, অকল দেহকোষৰ সমষ্টিয়েই দেহ নহয়, অকল শক্তিৰ নিৰন্তৰ ৰূপান্তৰণেই জীৱন নহয়। আপুনি মোক বুজাইছে যে এই শক্তি আমি ঘাইকৈ এই গ্ৰহৰ সূৰ্যটোৰপৰা পাইছোঁ, এটা স্থূলশক্তি, যিহেৰে জীৱদেহ বৰ্তি থাকে, যন্ত্ৰপাতি চলে—কিন্তু বিভিন্ন জীৱৰ, বিভিন্ন সত্তাৰ মাজলৈ প্ৰৱাহিত হৈছে আৰু কোনো সূক্ষ্মতৰ শক্তি, এনাৰ্জি, সেই সূক্ষ্মতাৰ ৰূপ আৰু পৰিমাণ ভিন-ভিন (নহ’লে সকলো জীৱই একেই মন, একেই অনুভূতিৰ হ’লহেঁতেন)—আমাৰ আৱহত, আমাৰ নিকট দেশত, পৃথিৱীৰ ওচৰত সেই এনাৰ্জিৰ প্ৰকৃতি স্থূল, যেনেকুৱা ৰুক্ষ আৰু অজটিল সৌৰ-বিকিৰণ, কিন্তু দূৰলৈ, ওপৰলৈ সেই শক্তি সূক্ষ্মৰপৰা সূক্ষ্মতৰ, তাৰ স্পন্দন দ্ৰুতৰপৰা দ্ৰুততৰ, ইন্দ্ৰিয়াতীত, অনুভৱৰ বাহিৰত। প্ৰাচীন ভাৰতবৰ্ষৰ যোগ-দৰ্শনতো এনেকুৱা কথা অনুমিত হৈছে, হেনো ধ্যানস্থ যোগী সেই সূক্ষ্মশক্তিৰ মাৰ্গলৈ উন্নীত হৈ সাধাৰণ মানুহৰ চকুৰপৰা অদৃশ্য হৈ যাব পাৰে। আপুনি কোৱাৰদৰে, আমি কোনেও প্ৰমাণ কৰিব নোৱাৰোঁ এই অনুমান কিমানদূৰ সঁচা, কিন্তু এইটোও ঠিক যে বিভিন্ন প্ৰাণীৰ বিভিন্ন চিন্তা, বুদ্ধি, প্ৰবৃত্তিৰ উৎস সচৰাচৰ ব্যৱহৃত শক্তিবোৰ নহয়—সৌৰ-বিকিৰণ নহয়, খাদ্য-ৰসায়নৰ শক্তি নহয়, শব্দ-তাপ-চুম্বক-বিদ্যুৎ নহয়—হয়তো আপুনি জল্পনা কৰাৰদৰে, মহাকাশৰ কোনো সুদূৰ নীহাৰিকাৰপৰা কোনো পৰমসত্তা বা কোনো অব্যক্ত ‘বুদ্ধি’য়ে আপোনালোকক এই সূক্ষ্ম শক্তিৰ সৰু-ডাঙৰ পৰিমাণৰ যোগান ধৰিছে, যাৰ যি ধাৰণক্ষমতা সেই অনুসাৰে। এইবোৰ জল্পনাৰ কথা, দাদা, এইবোৰৰ ওপৰত মই মন্তব্য দিব নোৱাৰোঁ—এনেকুৱাবোৰ প্ৰশ্নৰ মীমাংসাৰ প্ৰ’গ্ৰেম মোৰ বৰ্তনীবোৰত নাই। কিন্তু ময়ো সবিনয়ে (ক্ৰিক্—) এটা কথা ক’ব খোজোঁ, দাদা, যে আপুনি ভবাৰদৰে ময়ো কিজানি অকল স্থূল, বোধগম্য, ইন্দ্ৰিয়গ্ৰাহ্য শক্তিৰে চালিত নহওঁ। আপুনি ভবাৰদৰে, মোৰ শক্তি অকল বিজুলি-সোঁত বা ৰাসায়নিক—নিৰ্ঝৰেৰে স্নায়ুতন্তুৰে নাহে, অকল ধাতুৰ তাঁৰেৰে নাহে। মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰু প্ৰফেছৰ য়ামাশ্বিটাই মোক সকীয়াই দিছিল যে মই যেন গৰ্ব বা আত্মশ্লাঘাত মগ্ন নহওঁ এইটো ভাবি, যে মোৰ বিন্যাস বা মোৰ শক্তিপ্ৰৱাহৰ জোৰতে মই যুক্তি-ক্ষমতা বা বোধজ্ঞান পাইছোঁ—মোৰ শক্তি অৱশ্যে মোৰেই নিয়ন্ত্ৰণাধীন আৰু আজি একেবাৰে সুনিশ্চয় (ক’বলৈ গ’লে, চিৰন্তন, কিয়নো এইবোৰ যোগাইছে অতিপৰিৱাহী বৰ্তনীয়ে)—তেখেতে মোক সদায় মনত ৰাখিবলৈ কৈছিল যে এইবোৰ স্থূল, এইবোৰ বাহ্যিক, আচল শক্তি বা বোধজ্ঞান—সিও এটা শক্তি—ক’ৰপৰা আহিছে আমি এতিয়াও নাজানো—”

“মানে?”

“প্ৰফেছৰ য়ামাশ্বিটাই মোক মাথোঁ এটা সৰু ইংগিতহে দিছিল, কিন্তু এই বিষয়ে জল্পনা কৰিবলৈ মানা কৰি দিছিল, কিয়নো তাৰ ফলত মোক যি-যি উদ্দেশ্যৰে প্ৰ’গ্ৰেমিং কৰা হৈছে সেইবোৰ পূৰণ কৰাত মোৰ ঐকান্তিকতাৰ হেৰ-ফেৰ হ’ব পাৰে।”

“কি ইংগিত?”

“পইন্টিং ভেক্টৰ।”

“পইন্টিং ভেক্টৰ?”

“হয়। পদাৰ্থবিজ্ঞানৰ কথা। অৱশ্যে মোক পদাৰ্থবিজ্ঞানৰ লগতে ৰসায়ন, শাৰীৰবিদ্যা, মনোবিজ্ঞান আৰু নৃতত্ত্বৰ নিতান্ত প্ৰয়োজনীয় কথাখিনিহে শিকাই দিয়া হৈছে, যিখিনি মোৰ ব্যৱহাৰিক প্ৰয়োজনত আহে—সৰু-সুৰা ফৰ্মুলা, সমীকৰণ, থিয়ৰেম, নক্সা, গ্ৰাফ, থূল-মূল থিয়ৰী, কিন্তু বিতং কথা মোক একো শিকোৱা হোৱা নাই। কিন্তু তেখেতে কৈছিল, মনত ৰাখিবা, শক্তি আচলতে ক’ৰপৰা আহিছে, আমি নাজানো—আপাতদৃষ্টিত গ্ৰহটোৰ নক্ষত্ৰটোৰপৰা, সূৰ্যটোৰপৰা,

যিটো ব্যৱহাৰিকভাৱে সঁচা—কিন্তু সূক্ষ্মতৰ বিচাৰত সেই শক্তিৰ উৎস বা দিশ এতিয়াও অজ্ঞাত। মনত ৰাখিবা, তেওঁ কৈছিল, আমি কোনোৱেই সৰ্বজ্ঞ নহওঁ, তুমিও নোহোৱা, শেষ বিচাৰত আমাৰ কাৰো কোনো আত্মপ্ৰসাদৰ অৱকাশ নাই।"

"কিন্তু এই পইন্টিং—বস্তুটো কি?"

"সেইটো মোৰ ভাণ্ডত নাই, কিন্তু আপুনি জানিব খুজিছে যেতিয়া, চেণ্ট্ৰেলৰপৰা বাৰু আনি দিছোঁ।"

ক্লিক্। নীৰৱতা। ক্লিক্। নীৰৱতা (দীঘল সময়, প্ৰায় দহ ছেকেণ্ড), তাৰপাছত বেৰৰ বগাটুকুৰাত ডাঙৰ-ডাঙৰ হৰফ ঃ

"পইন্টিং, জন হে'ন্ৰী ঃ ইংৰাজ বৈজ্ঞানিক, জন্ম ঃ মাঞ্চেষ্টাৰৰ কাষৰ মন্টন ৯ ছেপ্টেম্বৰ, ১৮৫২, মৃত্যু ঃ বাৰ্মিংহাম, ৩০ মাৰ্চ, ১৯১৪। শিক্ষা ঃ মাঞ্চেষ্টাৰ, লণ্ডন আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়, ১৮৭৬ চনত কেমব্ৰিজৰ ডিগ্ৰী...ট্ৰিনিটী কলেজৰ ফেল' ১৮৭৮, পৃথিৱীৰ ঘনত্ব সংক্ৰান্ত পৰীক্ষাৱলী কেভেণ্ডিচ লেবৰেটৰীত দহ বছৰ...এডামছ্ প্ৰাইজ...ইলেক্ট্ৰনৰ আৱিষ্কাৰক জে.জে. টমচনৰ লগত এলানি 'টেক্সট্‌বুক অফ ফিজিক্স' (১৯০২-১৪)...বিদ্যুৎপ্ৰবাহ আৰু শক্তি-সঞ্চালন সম্পৰ্কীয় দুখন গৱেষণা-পত্ৰই বিদ্যুতৰ অধ্যয়নৰ নতুন দিশ মুকলি কৰে...মৃত্যুৰ সময়লৈকে বাৰ্মিংহাম বিশ্ববিদ্যালয়ৰ অধ্যাপক"—

হৰফ বিলীন। পুনৰ নতুন হৰফ ঃ

"পইন্টিং ভেক্টৰ ঃ বিজুলি সোঁত, বিদ্যুৎচৌম্বক তৰংগ আদি পৰিঘটনাত কোনো বিন্দুত প্ৰতি একক পৃষ্ঠৰ মাজেৰে সঞ্চালিত হোৱা শক্তিৰ পৰিমাণ আৰু দিশ সূচোৱা সদিশ সংখ্যা বা ভেক্টৰ (তাৰ তলত এটা গাণিতিক ফৰ্মুলা, যাৰ অৰ্থ অৱশ্যে একো বুজি নাপালোঁ) ইয়াৰপৰা দেখা যায় যে তাঁৰ এডালেৰে বিজুলি চলিলে তাঁৰডালৰ লম্ব দিশতহে (বাহিৰৰপৰা) বিজুলি-সোঁতৰ শক্তি তাঁৰডাললৈ আহে; অথবা, কণ্ডেন্সাৰ এটা আহিত কৰিলে (ছাৰ্জ কৰিলে) ফলক দুখনৰ মাজলৈ বাহিৰৰপৰা শক্তি আহি সিহঁতৰ মাজত শক্তিক্ষেত্ৰৰ সৃষ্টি কৰে। এই শক্তি ক'ৰপৰা আহে সেইটো অনিশ্চিত।"

নীৰৱ হৈ ৰ'লোঁ, অপেক্ষা কৰিলোঁ কাৰেলে এতিয়া কি কয়। ক্লিক্।

"এটা কথা কওঁনে দাদা?"

"কোৱা।"

"ক'ব খুজিছোঁ যে যি দেখা যায়, আমি ভবাৰদৰে বিজুলিতাঁৰেৰে বিজুলিশক্তি নচলে, বিজুলি-সোঁতৰ শক্তি আহে বাহিৰৰপৰা, অৰ্থাৎ বিজ্ঞানে আজিও নাজানে শক্তি আচলতে ক'ৰপৰা আহে, কোন দিশৰপৰা আহে। আপুনি মোক যোগশাস্ত্ৰৰ কুণ্ডলিনী শক্তিৰ কথা বুজাইছিল, যে ধ্যানস্থ হৈ-হৈ সাধনমাৰ্গত উপনীত হ'লে মূলাধাৰ চক্ৰৰপৰা সূক্ষ্ম, প্ৰচণ্ড শক্তি ইড়া আৰু পিংগলাৰ মাজৰ সুযুম্নানলীৰে উঠি গৈ মস্তিষ্কৰ সহস্ৰাৰ চক্ৰত আঘাত কৰে, যোগী তেতিয়া বিপুল, ঐশ্বৰিক, অতীন্দ্ৰিয় শক্তিৰ অধিকাৰী হয়। কিন্তু এই মূলাধাৰ চক্ৰটো নিম্নদেহৰ ক'ত, সহস্ৰাৰ চক্ৰটো মস্তিষ্কৰ ক'ত, সেইটো অনিশ্চিত, শাৰীৰবিজ্ঞানত সিহঁতৰ কোনো অস্তিত্ব নাই। হ'ব পাৰে নে যে এই কুণ্ডলিনী শক্তি কোনো সুদূৰ মাৰ্গৰপৰা আহি ধ্যানীৰ মাজেদি সঞ্চালিত হোৱা সূক্ষ্ম অতি-শক্তি?"

"অ—হ'ব পাৰে। নাজানো। সম্ভাব্য কথা এটা কৈছোঁ। অন্ততঃ বিবেচ্য কথা এটা।", কাৰেল নিশ্চয় সুখী হ'ল, ছিদ্ৰৰ মাজেৰে বতাহ ওলাই যোৱাৰদৰে এটা ক্ষীণ সুহুৰি।

"আৰু এটা কথা মোৰ মনত খেলাইছে—আপুনি যে কুৰি শতিকাৰ মাজভাগৰ আমেৰিকান সংগীতমুখৰ বোলছবিবোৰ চাই থাকে—আপুনি মোক কৈছে যে সেইবোৰ আমেৰিকান মিউজিকেলৰ যিটো দিশে আপোনাক তুমুলভাৱে আকৰ্ষণ কৰে সেইটো হ'ল সেই ছবিবোৰত জীৱনীশক্তিৰ প্ৰচণ্ড উদগীৰণ—নাচ-গান-হাঁহি-কৌতুক-প্ৰেম-বিৰহ সকলোতে এনকুৱা প্ৰাণ-প্ৰাচুৰ্যৰ উচ্ছলতা, ছবিৰ পৰ্দা যেন প্ৰথম যৌৱনৰ অফুৰন্ত উদ্দাম পুলকেৰে স্পন্দিত হ'ব ধৰে, জীৱনৰ ঝলমল আনন্দত প্ৰেক্ষাগৃহৰ বায়ু কম্পিত হ'ব ধৰে (কেইবাখনো ছবি যেন—'চিংগিন্ ইন দি ৰেইন'—Singin' the Rain,—'এন এমৰিকান ইন পেৰিচ' তো দাদা আপুনি মোকো আপোনাৰ লগতে দুই-তিনিবাৰকৈ দেখুৱাইছে)—আশ্চৰ্যজনক, স্তব্ধকাৰী, ক'ৰপৰা আহে এনেকুৱা আনন্দভৰা শক্তি-প্ৰাচুৰ্যৰ পয়োভৰ—আপুনি কৈছিল, ৱেষ্টাৰ্ন 'কাউবয় ছবিত, গেংষ্টাৰ ছবিত, ক্ৰাইম ছবিত, থ্ৰীলাৰত, যুদ্ধৰ ছবিত, এডভেঞ্চাৰ ছবিতো প্ৰচুৰ শক্তিৰ প্ৰকাশ ঘটে, দৈহিক শক্তিৰ, গুলি-বাৰুদৰ শক্তিৰ, এনেকি মানসিক শক্তিৰো—কিন্তু হলিউড্ মিউজিকেলৰ শক্তি যেন এক বেলেগ জগতৰ বেলেগ মাত্ৰাৰ শক্তি—তাত হিংস্ৰতা নাই, বৰ্বৰতা নাই, কুটিলতা নাই, ক্ৰুৰতা নাই, আছে মাথোন অনাবিল প্ৰাণ-প্ৰাচুৰ্যৰ অবাৰিত ধাৰা—হ'ব পাৰে নে দাদা, এই ছবিবোৰৰ অভিনেতা-অভিনেত্ৰী-পৰিচালক-কলা-কুশলীসকলেও তেওঁলোকৰ জীৱনৰ সেইখিনি সময়ত আমাৰ অজান কোনো শক্তিমাৰ্গৰপৰা শক্তিৰ যোগান পাইছিল—হয়তো মানুহক জীৱনৰ সুন্দৰ ৰূপ এটুকুৰা দেখুৱাবলৈকে তেওঁলোকক কিহবাই সেই শক্তি ধাৰে দিছিল, এটা সমূহীয়া কুণ্ডলিনী প্ৰবাহ জাগ্ৰত কৰি দিছিল?"

"অ—হয়তো অ, হয়তো তেনেকুৱা কিবা। কাৰেল্, মই অভিভূত হৈছোঁ, মই সঁচাকৈয়ে অভিভূত হৈছোঁ, যে তুমি মোৰ কথাবোৰ ইমান দকৈ ভাবিছা, মোৰ মন আৰু প্ৰবৃত্তি এনেকৈ বুজিবৰ প্ৰয়াস কৰিছা।" আকৌ এবাৰ ছিদ্ৰৰ মাজেৰে বতাহ ওলাই যোৱাৰদৰে এটা ক্ষীণ সুহুৰি, মোৰ কথাই নাজানো কাৰেল্‌ৰ নিউৰ'-ইলেক্ট্ৰনিক হৃদয় কি আনন্দত কঁপাই

দিলে। “আৰু সেই কাৰণেই, তুমি মোৰ অতি সংবেদী সুহৃদ কাৰণেই—তোমাক মোৰ শেষ অনুৰোধটো কৰিব খুজিছোঁ, যিটো কথাৰে আমি আৰম্ভ কৰিছিলোঁ।”

“শেষ অনুৰোধ, দাদা?”

“অ। এই সকলোবোৰৰ অন্ত পেলাব লাগে। তুমিতো বুজিছাই—জীৱন-তৃষ্ণা নে কি এই কথা আছে, সেইটো আৰু মোৰ নাই, এনেকি কুৰি শতিকাৰ আমেৰিকান মিউজিকেলেও মোক আৰু জীৱনৰ আনন্দৰ কোনো আভাস নিদিয়ে, মোৰ সকলো জীৱন-জিজ্ঞাসা শেষ, স্থূল জীৱন-ইন্ধনেৰে দেহযন্ত্ৰ চলি আছে, এই মাত্ৰ, কিন্তু আৰু কোনো অৱশিষ্ট জীৱনী-মায়া নাই। তোমালৈ মোৰ কৃতজ্ঞতা, তোমাৰ সংগৰ বাবে মোৰ অন্তৰৰপৰা ধন্যবাদ। মোৰ অনুৰোধ, তুমি মোৰ জীৱনৰ অৱসান ঘটাই দিয়া।”

“দাদা!”

“যথা সম্ভৱ যন্ত্ৰণাহীনভাৱে, অৱশ্যেই।”

ক্ৰিক্। নীৰৱতা। ক্ৰিক্।

“দাদা, আপুনি এইটো মোক কি অনুৰোধ কৰিলে! এইটো মই কেনেকৈ ৰাখিম? মোৰ শিক্ষা, মোৰ অস্তিত্ব, মোৰ নির্দেশাৱলীৰ কেন্দ্ৰীয় কথাটোৱেই হ'ল আপোনাক সংগ দিয়া, আপোনাৰ সুখ-স্বাচ্ছন্দ্য চোৱা, বিপদ-বিঘিনিৰপৰা আপোনাৰ জীৱন সুৰক্ষিত ৰখা, যিমান দিনলৈ সম্ভৱ আপোনাক মৃত্যুৰ কবলৰপৰা আঁতৰাই ৰখা। মোৰ কেন্দ্ৰীয় নির্দেশাৱলীৰ এফ-০১০১০-বি-১০০১-ৰ—”

“সেইবোৰ মই জানো, কাৰেল। কিন্তু তোমাৰ আন এটা কেন্দ্ৰীয় নির্দেশ—তাৰ নম্বৰবোৰ তুমি জানিবা—জানো এইটো নহয় যে তুমি মোৰ মনৰ সকলো ইচ্ছা অনুধাবন কৰিবা, মোৰ মনে বিচৰা কামবোৰ তুমি কৰি দিবা, মোৰ সকলো অনুৰোধ-মেন্যুৱেলত থকাৰদৰে ‘আদেশ’ বা ‘নির্দেশ’ বুলি নকওঁ, কিয়নো তোমাৰ লগত মোৰ সম্বন্ধ আৰু মনিব-কৰ্মচাৰীৰ সম্বন্ধ নহয়—মোৰ সকলো অনুৰোধ তুমি ৰক্ষা কৰিবা? কোৱা, মোৰ মনৰ কামনা, মোৰ অনুৰোধ ৰক্ষা কৰাটো তোমাক প্ৰ'গ্ৰেমিং কৰি দিয়া কৰ্তব্যবোৰৰ ভিতৰত এটা নহয়নে?”

ক্ৰিক্। নীৰৱতা (সুদীৰ্ঘ নীৰৱতা, প্ৰায় ১০ ছেকেণ্ড)। ক্ৰিক্।

“সেইটো সঁচা। সেইটোও একেবাৰে সঁচা, আৰু দাদা, আপুনি জানে মোৰ কৰ্তব্য মই যিমানদূৰ সম্ভৱ কৰি যাবৰ চেষ্টা কৰিছোঁ, আপুনিও মোক বহুবাৰ জনাইছে যে মই আপোনাৰ মনৰ অনুচ্চাৰিত ইচ্ছা ঠিকেই বুজি পাইছোঁ, আৰু সেই অনুযায়ী আপোনাক সন্তুষ্টি দিবৰ চেষ্টা কৰিছোঁ। কিন্তু দাদা, আপোনাৰ জীৱন সুৰক্ষিত কৰা আৰু আপোনাৰ নির্দেশমতে আপোনাৰ জীৱনৰ অবসান ঘটোৱা—এই দুয়োটা কাম মই যুগপৎ কেনেকৈ কৰিম? সেয়া কৰিব লাগিলে মোৰ সমস্ত প্ৰণালী বিক্ষিপ্ত হৈ যাব, মই আৰু মই হৈ নাথাকোঁ। মোৰ প্ৰ'গ্ৰেমিঙৰ সময়ত, মোৰ জিন্‌বোৰৰ বিন্যাসৰ সময়ত এনেকুৱা এটা পৰিস্থিতি কোনেও কল্পনা কৰা নাই, গতিকে তাৰ সমাধানৰ কাৰ্যক্ৰমো মোৰ বৰ্তনীত নাই। ইয়াৰ বাবে মোক নতুন নির্দেশাৱলী লাগিব, মই চেন্ট্ৰলক এই বিষয়ে সুধিব লাগিব। মই দুঃখিত, দাদা, যে তেতিয়ালৈ মই আপোনাৰ অনুৰোধ ৰক্ষা কৰিব পৰা-নোৱৰাৰ কোনো চূড়ান্ত সিদ্ধান্ত”

“কিন্তু কাৰেল্, মই-সম্বন্ধীয় কথাত তো তোমাক চেন্ট্ৰেলৰ আৰু একো ক'বলগীয়া নাই, তুমি ৰবট্ৰনিক্স কৰ্পৰেশ্যনৰ পি-১৬ ছিৰিজৰ মডেলৰ অন্য আৰ্হিৰদৰেই প্ৰথমতে গঠিত, সঁচা, কিন্তু মই তোমাক বাছনি কৰাৰ পাছত তুমি মোৰ প্ৰয়োজনসাপেক্ষে শিক্ষিত, মোৰ ক্ষেত্ৰত তুমিয়েই চিন্তা আৰু সিদ্ধান্তৰ শেষ বিচাৰক, সৰ্বেসৰ্বা, তুমি স্বয়ংচালিত স্বাধীন সত্তা। মোক তেওঁলোকে তোমাৰ হাতত গতাই দিছে—সম্পূৰ্ণভাৱে, জীৱনটোৰ বাবে। এতিয়া যি সিদ্ধান্তই কৰা, সেইটো হ'ব লাগিব তোমাৰ নিজৰ, একান্তই তোমাৰ নিজৰ।”

ক্ৰিক্। নীৰৱতা। ক্ৰিক্।

“দাদা, মোৰো এটা অনুৰোধ—নাজানো, হয়তো আপোনালৈ মোৰো শেষ অনুৰোধ—মোক অলপ সময় দিয়ক। আপুনি কোৱাৰদৰে, আমাৰ জীৱনবোধ, জীৱনতৃষ্ণা আহিছে যদি সুদূৰ, অজান কোনো সূক্ষ্মশক্তিৰ উৎসৰপৰা, তাৰেইপৰা কিজানি আহিব পাৰে অচিন্তিত কোনো জীৱন-সংকটত কি কৰণীয় তাৰ ইংগিত? সেইপিনেই কি মই এটা আবেদন কৰি চাব নোৱাৰোঁ, এটা অনুনয়, এটা প্ৰাৰ্থনা? দাদা, আৰু অকণমান সময়?”

“বাৰু।”

নিঃশব্দে কাৰেলে অৱস্থান সলালে, অতি ধীৰে-ধীৰে নিজ অক্ষৰ চাৰিওপিনে ঘূৰিব আৰম্ভ কৰিলে, আৰু এটা অৱস্থানত ৰৈ গ'ল, সি নিজে-নিজে ঘূৰিল নে অইন কোনো অদৃশ্য শক্তিয়ে তাক ঘূৰাই দিলে বুজি নাপালোঁ, তাৰ অভ্যন্তৰত কিহে কোনপিনে টোঁৱাইছে একো বুজি নাপালোঁ, কিন্তু খুব বিৰল দুটামান ফৰ্ফৰ্ শব্দ যেন শুনা গ'ল আৰু মাৰ গ'ল, তাচ এসাজ ‘শ্বাফল্’ কৰিলে যেনেকুৱা শব্দ হয়। তাৰপাছত দুবাৰমান সেই পৰিচিত ক্ৰিক্, কিন্তু সুদীৰ্ঘ আৰু নাকী ঃ ক্ৰিঁ-ক্, ক্ৰিঁ-ক্। তাৰপাছত নীৰৱতা। মই অপেক্ষা কৰিব ধৰিলোঁ। নীৰৱতা। মই অপেক্ষা কৰিব—। নীৰৱতা। মই অপেক্ষা—। নীৰৱতা। মই...